**2021**

# ASSAMESE

Paper : ASM–HC–4016

( Honours Course )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×৬=৬

(ক) কিমান চনত কলিকতা বিশ্ববিদ্যালয়ত আধুনিক ভাৰতীয় ভাষা (MIL) বিভাগ প্ৰতিষ্ঠা কৰা হৈছিল ?

(খ) শৰৎচন্দ্ৰ চট্টোপাধ্যায়ে ৰচনা কৰা এখন উপন্যাসৰ নাম লিখা।

(গ) ‘জিন্দেগী অউৰ গুলাব কে ফুল’ নামৰ গল্পসংকলনখনৰ ৰচক কোন ?

(ঘ) বেছগাহাল্লি ৰামাই কি ভাষাত সাহিত্য ৰচনা কৰিছিল ?

(ঙ) প্ৰেমচন্দৰ ‘নিৰ্মলা’ উপন্যাসখনৰ প্ৰথম প্ৰকাশ কেতিয়া হৈছিল ?

(চ) ‘পথেৰ পাঁচালী’ উপন্যাসখনত কেইটা অধ্যায় আছে ?





২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) তুলনামূলক সাহিত্যৰ ধাৰণা প্ৰথমে ক’ত, কেতিয়া গঢ় লৈ উঠিছিল ?

(খ) কাঙালীৰ দেউতাকক জমিদাৰৰ দাৰোৱানে কিয় প্ৰহাৰ কৰিছিল ?

(গ) গজাধৰ বাবুৱে কি বিভাগত, কিমান বছৰ কাম কৰিছিল ?

(ঘ) নিৰ্মলাৰ পিতৃৰ নাম কি? তেওঁ নিৰ্মলাক কাৰ লগত বিয়া দিবলৈ ঠিক কৰিছিল ?

(ঙ) অপুৰ ঘৰ কোন গাঁৱৰ, কোন দিশত অৱস্থিত ?

৩। যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা : ৬×৪=২৪

(ক) তুলনামূলক সাহিত্যত অনুবাদৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰা।

(খ) ‘‘তোৰ হাতেৰ আগুন যদি পাই বাবা, বামুণ মাৰ মত আমিও সগ্যে যেতে পাবো।’’ কথাষাৰ কোনে, কাক কৈছিল? তেওঁৰ শেষ আশা পূৰণ হ’ল নে নাই ‘অভাগীৰ স্বৰ্গ’ গল্পটোৰ আধাৰত বিচাৰ কৰা।

(গ) ‘ৱাপচি’ গল্পটোত গজাধৰৰ জীৱনৰ কাৰুণ্য কিদৰে প্ৰকাশিত হৈছে, তোমাৰ ভাষাৰে লিখা।

(ঘ) তোতাৰামৰ প্ৰথম পক্ষৰ ডাঙৰ ল’ৰাজনৰ নাম কি? তেওঁৰ কিদৰে মৃত্যু হৈছিল, লিখা।

(ঙ) ‘পথেৰ পাঁচালী’ উপন্যাসৰ নামকৰণৰ তাৎপৰ্য বিশ্লেষণ কৰা।

(চ) বেছগাহাল্লি ৰামাৰ সাহিত্যকৃতি সম্পৰ্কে আলোচনা কৰা।

৪। যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) তুলনামূলক সাহিত্য অধ্যয়নৰ পদ্ধতিসমূহ উল্লেখ কৰি যি কোনো দুটা পদ্ধতিৰ বিষয়ে আলোচনা কৰা।

(খ) 'ৰাপচি' গল্পটোত আধুনিক জীৱনৰ পৰিৱৰ্তিত মূল্যবোধে সৃষ্টি কৰা মানসিক সংঘাত কিদৰে চিত্ৰিত হৈছে, বিচাৰ কৰা।

(গ) তথাকথিত নিম্নবৰ্গৰ মানুহৰ জীৱনৰ দুখ-যন্ত্ৰণা 'অভাগীৰ স্বৰ্গ' গল্পটোত কিদৰে অংকিত হৈছে, আলোচনা কৰা।

(ঘ) বেছগাহাল্লি ৰামাৰ গান্ধী গল্পটোৰ সামাজিক তাৎপৰ্য বিচাৰ কৰা।

(ঙ) অপুৰ দৃষ্টিত নিশ্চিন্দিপুৰৰ প্ৰকৃতি জগতখন কিদৰে উদ্ভাসিত হৈছে, আলোচনা কৰা।

(চ) ''প্ৰেমচন্দৰ 'নিৰ্মলা' উপন্যাসখনত সমকালীন সময়ৰ বিবিধ সামাজিক সমস্যাৰ প্ৰকাশ ঘটিছে।'' কথাষাৰৰ সাৰ্থকতা বিচাৰ কৰা।

★★★